Total No. of Printed Pages—7

**HS/XII/A/a/25**

**2025**

**ELECTIVE ASSAMESE**

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা *এটা* বা *দুটা* শব্দৰে (যি কোনো **দহটা**) : ১×১০=১০

(ক) 'বনফুল' পুথিখনৰ ৰচক কোন?

(খ) 'ওমৰ তীৰ্থ' কাব্যপুথিৰ মূল কি?

(গ) ‘নামঘোষা’ক আৰু কি নামেৰে জনা যায় ?

(ঘ) ভীমৰ আন এটা নাম কি ?

(ঙ) খটাসুৰক কোনে বৰ প্ৰদান কৰিছিল ?

(চ) ‘অসমীয়া গদ্য-সাহিত্যৰ জনক’ বুলিলে কাক জনা যায় ?

(ছ) ৰাম সৰস্বতীক কি কবি বুলি জনা যায় ?

(জ) শংকৰদেৱৰ এখন অংকীয়া নাটৰ নাম লিখা।

(ঝ) ‘মগৰীবৰ আজান’ কাৰ ৰচনা ?

(ঞ) ‘জোনাকী’ আলোচনী কিমান চনত প্ৰথম প্ৰকাশ হৈছিল ?

(ট) ‘বনকুঁৱৰী’ কবিতাৰ কবি কোন ?

(ঠ) ড০ নাথান ব্ৰাউনৰ এখন কিতাপৰ নাম লিখা।

(ড) মহেশ্বৰ নেওগৰ এখন কিতাপৰ নাম লিখা।

(ঢ) নাটকৰ এটি উপাদান উল্লেখ কৰা।

(ণ) মোপাছাঁ কোন দেশৰ সাহিত্যিক ?

২। তলৰ খালী ঠাইসমূহ সঠিক শব্দৰে পূৰণ কৰি উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) ______ কবিতা চন্দ্ৰকুমাৰ আগৰৱালাৰ ৰচনা।

(খ) ______ কৃত্বা ঘৃতং পিৱেৎ।

(গ) সৰস্বতীৰ কৃপা হ'লেও লক্ষ্মীদেৱীৰ অশুভ দৃষ্টিত অসমীয়াৰ সাহিত্যিক জীৱন লৈ লৈ ______।

(ঘ) গল ছেদি অসুৰৰ তেখনে কঙ্কণ যাজ্ঞসেনী সমীপত ভৈলা ______।

(ঙ) অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাক ______ নামেৰে জনা যায়।

(চ) বৰগীতসমূহৰ ভাষা ______।

(ছ) ______ অসমীয়া চুটিগল্পৰ জনক।

৩। কেৱল শুদ্ধ উত্তৰটো উত্তৰ-বহীত লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) যাজ্ঞসেনী বুলি জনা যায়

(সীতাক / দ্ৰৌপদীক / কুন্তীক)

(খ) 'অৰুণোদই' কাকতৰ প্ৰথম সম্পাদক

(ও. টি. কট্টাৰ / হেমচন্দ্ৰ গোস্বামী / ৰাম গগৈ)

(গ) বধকাব্যসমূহৰ ৰচক

(ৰাম সৰস্বতী / ভট্টদেৱ / শংকৰদেৱ)

(ঘ) উপন্যাস সম্ৰাট হিচাপে জনা যায়

(হেমচন্দ্ৰ গোস্বামীক / শংকৰদেৱক / ৰজনীকান্ত বৰদলৈক)

(ঙ) খটাসুৰক বৰ প্ৰদান কৰিছিল

(শিৱই / ব্ৰহ্মাই / বিষ্ণুৱে)

(চ) হেমচন্দ্ৰ গোস্বামীৰ প্ৰথম ছনেট

('প্ৰিয়তমাৰ চিঠি' / 'মাধুৰী' / 'মমতাৰ চিঠি')

(ছ) দ্ৰৌপদীৰ এজন স্বামী আছিল

(কৰ্ণ / অৰ্জুন / শকুনি)

(জ) 'ৰুবায়ত'ৰ ৰচক

(ওমৰ খায়াম / হেম সৰস্বতী / হেম বৰুৱা)

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**পাঁচ-ছয়** শাৰীত) : ৩×১০=৩০

(ক) অসমীয়া সাহিত্যত যতীন্দ্ৰনাথ দুৱৰাক কি কবি বুলি জনা যায়? তেওঁৰ দুখন কবিতাপুথিৰ নাম লিখা। ১+২=৩

(খ) অসমীয়া ভাষা-সাহিত্যলৈ মাইলচ্ ব্ৰন্সনৰ অৱদানৰ বিষয়ে লিখা।

(গ) "ডাঙৰ জাতীয়তা অবিহনে ডাঙৰ সাহিত্য সম্ভৱ নহয়।" ব্যাখ্যা কৰা।

(ঘ) নাটক আৰু উপন্যাসৰ দুটা পাৰ্থক্য লিখা। $১\frac{১}{২}+১\frac{১}{২}=৩$

(ঙ) মাধৱদেৱে ৰচনা কৰা ঝুমুৰাৰ তিনিটা বৈশিষ্ট্য লিখা।

(চ) ৰাম সৰস্বতী কোন যুগৰ কবি? তেওঁৰ ৰচিত দুখন বধকাব্যৰ নাম লিখা। ১+২=৩

(ছ) খটাসুৰৰ দৈহিক ৰূপৰ বৰ্ণনা দিয়া।

(জ) 'মগৰীবৰ আজান' নাটকৰ তিনিটা নাৰী চৰিত্ৰৰ নাম লিখা।

(ঝ) সাহিত্যক শ্ৰেষ্ঠ আৰ্ট বা কলা বুলি কিয় কোৱা হয়?

(ঞ) জোনাকী যুগৰ তিনিজন সাহিত্যিকৰ নাম লিখা।

(ট) শংকৰদেৱৰ ভক্তিতত্ত্বৰ তিনিটা বিশেষ বৈশিষ্ট্য লিখা।

(ঠ) ললিত কলা আৰু নিম্ন কলাৰ পাৰ্থক্য লিখা।

(ড) ''নামিবাৰ চিহ্ন তাত দেখে ভীমসেন।
উঠিবাৰ চিহ্ন নেদেখয় কোন স্থান॥''

উক্ত কথাখিনিৰ কাহিনীভাগ চমুকৈ বৰ্ণনা কৰা।

(ঢ) অংকীয়া নাটৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা।

(ণ) ভট্টদেৱৰ গদ্যৰ বিশেষত্ব কি, লিখা।

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) মাধৱদেৱৰ ৰচনাত 'ভক্তিৰস' সম্পৰ্কে আলোচনা কৰা।

(খ) 'সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি' প্ৰবন্ধত অসমীয়া সাহিত্য সৃষ্টিত সাধনাৰ অভাৱৰ বিষয়ে কি কৈছে, বহলাই লিখা।

(গ) ওমৰ খায়ামৰ জীৱনদৰ্শন সম্পৰ্কে লিখা।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'খটাসুৰ বধ'ত উল্লেখ থকা চাৰিটা শ্লোক কি কি? শ্লোককেইটাৰ অৰ্থ ব্যাখ্যা কৰা।

(খ) 'খটাসুৰ বধ'ৰ উপকাহিনীটো লিখা।

(গ) ৰাম সৰস্বতীৰ বধকাব্যসমূহৰ সাহিত্যিক গুণাগুণ বিচাৰ কৰি অসমীয়া সাহিত্যত ইয়াৰ স্থান নিৰূপণ কৰা।

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'মগৰীবৰ আজান' নাটকত বৰ্ণনা কৰা গাঁৱলীয়া পঢ়াশালিখনৰ বৰ্ণনা দিয়া।

(খ) 'মগৰীবৰ আজান' নাটকৰ যি কোনো দুটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱা।

(গ) 'আধুনিক অসমীয়া নাটক'—এই সম্পৰ্কে এটি চমু প্ৰবন্ধ যুগুত কৰা।

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) শংকৰদেৱৰ 'কীৰ্তন' পুথিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) ভট্টদেৱৰ সাহিত্যকৃতিৰ এটি চমু মূল্যায়ন আগবঢ়োৱা।

(গ) অসমীয়া সাহিত্যলৈ 'অৰুণোদই' আলোচনীয়ে কেনেধৰণৰ অৱদান আগবঢ়াইছিল, আলোচনা কৰা।

৯। তলৰ যি কোনো **চাৰিটাৰ** বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

(ক) মাধৱদেৱৰ বৰগীত

(খ) বধকাব্য

(গ) নৱবৈষ্ণৱ ধৰ্ম

(ঘ) দ্ৰৌপদী

(ঙ) এ. কে. গাৰ্নী

(চ) সাৰদা বৰদলৈ

(ছ) হেমাই পণ্ডিত

★★★